# নব্য ধৰ্মীয় ভাৱধাৰাৰ উত্থান

পাঠ – ৯ ( সমাজ বিজ্ঞান )

**১/ উত্তৰ লিখা –**

**(ক) ভক্তিবাদ বুলিলে কি বুজায়  ?**

উত্তৰ:- ভগবানৰ লগত মানৱ আত্মাৰ মিলন, ঈশ্বৰৰ প্ৰতি অগাধ প্ৰেম তথা ভক্তিৰ ওপৰত গুৰুত্ব দি মহাপুৰুষ সকলে যি মতবাদ সৃষ্টি কৰিছিল সেয়াই হৈছে ভক্তিবাদ ।

**(খ) ভক্তিবাদ আন্দোলন গঢ়ি উঠাৰ দুটা কাৰণ কি কি ?**

উত্তৰ:- ভক্তিবাদ আন্দোলন গঢ়ি উঠাৰ দুটা কাৰণ হল –

(i) হিন্দু ধৰ্মৰ কঠোৰ নীতি – নিয়ম, জাতি ভেদ প্ৰথা, উচ্চ – নীচ, ধনী – দুখীয়া আদি পাৰ্থক্যই সমাজৰ নিম্ন শ্ৰেণীৰ জনসাধাৰণক বাৰুকৈয়ে অতিষ্ঠ কৰি তুলিছিল । তেওঁলোকে সততে ইয়াৰ পৰা মুক্তি বিচাৰিছিল ।

শংকৰাচাৰ্যৰ দৰে পণ্ডিতসকলে এই ক্ষেত্ৰত পথ দেখুৱালেও তেওঁলোকৰ দাৰ্শনিক মতবাদ সৰ্বসাধাৰণ লোকৰ বিশেষ বোধগম্য হোৱা নাছিল ।

(ii) মধ্য এছিয়াৰ কিছু সংখ্যক ইছলাম ধৰ্মৰ প্ৰচাৰকৰ ভাৰতত প্ৰবেশ ঘটিছিল । এওঁলোকে ভাৰতত ইছলাম ধৰ্ম প্ৰচাৰত মনোনিবেশ কৰিলে । চুলতান সকলৰো অনুগ্ৰহ তেওঁলোকে লাভ কৰিছিল ।

ইছলাম ধৰ্মত যাগ – যজ্ঞ আৰু মূৰ্তিৰ পূজা নাই । এই ধৰ্মত এজন ঈশ্বৰক উপাসনা কৰা হয় আৰু ঈশ্বৰৰ চকুত সকলো সমান । ফলত হিন্দু সমাজৰ একাংশ অৱহেলিত লোকো এই ধৰ্মৰ প্ৰতি আকৰ্ষিত হ'বলৈ ধৰে ।

**(গ) দিব্য প্ৰবন্ধম কি ?**

উত্তৰ:- আলভাৰচসকলৰ গীত – মাত, মৌখিক সাহিত্যৰ কীৰ্তিৰাজি পৰবৰ্তী কালত সংকলিত ৰূপত প্ৰকাশ পায় । আলভাৰচসকলৰ এই সংকলিত সাহিত্য সম্ভাৰকে দিব্য প্ৰবন্ধম বোলে ।

**(ঘ) উত্তৰ ভাৰতত ভক্তি আন্দোলনৰ গুৰি ধৰোতা চাৰিগৰাকী ব্যক্তিৰ নাম লিখা।**

উত্তৰ:- উত্তৰ ভাৰতত ভক্তি আন্দোলনৰ গুৰি ধৰোতা চাৰিগৰাকী ব্যক্তিৰ নাম হল –

**(i) ৰমানন্দ**

**(ii) কবীৰ**

**(iii) তুলখিদাস আৰু**

**(iv) গুৰুনানক ।**

**(ঙ) শংকৰদেৱৰ মতে মানুহে কেনেকৈ মুক্তি লাভ কৰিব পাৰে ?**

উত্তৰ:- শংকৰদেৱৰ মতে মানুহৰ মুক্তি লাভৰ বাবে যাগ – যজ্ঞ, বলি – বিধান আদিৰ প্ৰয়োজন নাই । ঈশ্বৰৰ ওচৰত একান্ত বিশ্বাস তথা নাম ভক্তিৰ দ্বাৰাই মানুহে মুক্তি লাভ কৰিব পাৰে ।

**২/ উপযুক্ত শব্দেৰে তলৰ খালী ঠাই পূৰ কৰা –**

(ক) শংকৰাচাৰ্য আছিল **একেশ্বৰবাদত** বিশ্বাসী ।

(খ) খ্ৰীষ্টিয় **নৱম শতিকাৰ** পৰা ভাৰতত ইছলাম ধৰ্মাৱলম্বী তুৰ্কী – আফগান সকলৰ আৰ্বিভাব ঘটিছিল ।

(গ) ৰমানন্দৰ মূল উপাস্য দেৱতা আছিল **বিষ্ণু অৱতাৰ ৰাম** ।

(ঘ) তুলসীদাসক **বাল্মিকী অৱতাৰ** বুলি গন্য কৰিছিল ।

(ঙ) গীত গোবিন্দত শ্ৰীকৃষ্ণৰ লীলাৰ **প্ৰশংসা** আৰু গৰিমা প্ৰচাৰ কৰা হৈছে ।

**৩/ চমু টোকা লিখা –**

**(ক) শংকৰাচাৰ্য ।**

**<u>উত্তৰ</u>:-** ১৪৪৯ খ্ৰীষ্টাব্দত অসমীয়া কলা – সংস্কৃতিৰ প্ৰাণস্বৰূপ শংকৰদেৱৰ জন্ম হয় । মহাপুৰুষ শ্ৰীমন্ত শংকৰদেৱৰ জন্ম স্থান হল বৰদোৱাৰ ওচৰৰ আলিপুখুৰী অঞ্চল । ভাৰতৰ প্ৰসিদ্ধ তীৰ্থস্থান বোৰ ভ্ৰমণ কৰি শ্ৰীমন্ত শংকৰদেৱে হিন্দু ধৰ্মৰ মূল ধৰ্ম – শাস্ত্ৰ বোৰ  খৰচি মাৰি অধ্যয়ন কৰিছিল ।

ভাগৱত পুৰাণকে সকলোৱে মূল বুলি মতপোষণ কৰি তেওঁ অসমত ভক্তি আন্দোলনৰ পাতনি মেলিছিল । শঙ্কৰদেৱে একেশ্ববাদত বিশ্বাসী আছিল । ভগবানৰ নিৰাকাৰ ৰূপেই তেওঁৰ মতবাদৰ মূল কথা । মানৱীয় প্ৰমূল্য আৰু অহিংসা হল শংকৰদেৱৰ মতাদৰ্শৰ প্ৰধান বিষয়বস্তু । এই ধৰ্মমতে জাতি, ধৰ্ম নিৰ্বিশেষে  সকলো শ্ৰেণীৰ মানুহৰে ভগবানৰ ওচৰত পূজা – অৰ্চনা কৰাৰ সমান অধিকাৰ আছে ।

মোক্ষ লাভৰ বাবে যাগ – যজ্ঞ, বলি – বিধান আদিৰ প্ৰয়োজন নাই । ঈশ্বৰৰ ওচৰত একান্ত বিশ্বাস তথা নাম ভক্তিৰ দ্বাৰাই মানুহে মুক্তি লাভ কৰিব পাৰে । শংকৰদেৱৰ ভক্তিবাদে অসমৰ সকলো শ্ৰেণীৰ লোকৰ মাজত প্ৰসাৰ লাভ কৰে ।

ধৰ্মক জনসাধাৰনৰ অধিক কাষ চপাবলৈ শঙ্কৰদেৱে সংস্কৃতৰ সলনি ব্ৰজাৱলী আৰু অসমীয়া ভাষাত ধৰ্ম শাস্ত্ৰবোৰ ৰচনা কৰিছিল । শংকৰদেৱৰ সাধনাৰ মূল বিষয়বস্তু আছিল অসমীয়া ভাষাৰ বিকাশ, ক'লা – সংস্কৃতিৰ ধাৰাবাহিক চৰ্চা আৰু ভক্তি বাদৰ প্ৰসাৰ । তেওঁ হল প্ৰকৃতাৰ্থত অসমীয়া জাতিৰ কাণ্ডাৰী, অসমীয়া ভাষা আৰু কলা সংস্কৃতিৰ অন্যতম প্ৰতিষ্ঠাপক ।

**(খ) জ্ঞানদেৱ ।**

**<u>উত্তৰ</u>:-** উত্তৰ পশ্চিম ভাৰতৰ মহাৰাষ্ট্ৰত জ্ঞানদেৱৰ নেতৃত্বত খ্ৰীষ্টীয় ১৩ শতিকাত ভক্তি আন্দোলনৰ এক ধাৰা গঢ় লৈ উঠিছিল । জ্ঞানদেৱে গীত – মাতৰ দ্বাৰাই ভগবানৰ ভক্তিৰ বাণী জনসাধাৰনৰ মাজত প্ৰচাৰ কৰিছিল । প্ৰচলিত সমাজ ব্যৱস্থাৰ জাতিভেদ প্ৰথা, উচ্চ – নীচ, ধনী – দুখীয়া আদি বৈষম্য বোৰ আঁতৰ কৰি সহজ – সৰল আৰু বন্ধুত্বপূৰ্ণ জীৱন যাপনত গুৰুত্ব দিছিল ।

সকলো মানুহৰ গাতে যে ভগৱান বিদ্যমান সেই কথা জনসাধাৰনৰ মাজত উপস্থাপন কৰিছিল । তেওঁ সকলো মানুহকে ভগবানৰ একোটা অংশ বুলি ভাবি সকলোকে সমান বুলি জ্ঞান দিছিল ।

জ্ঞানদেৱৰ এই বাণী পৰবৰ্তী কালত নামদেৱ, একনাথ, টুকাৰাম, ৰামদাস আদি ভক্তিবাদৰ উদ্যোক্তা সকলৰ নেতৃত্বত বিভিন্ন অঞ্চললৈ বিয়পি পৰিছিল । জ্ঞানদেৱৰ বাণী

সমূহে সকলোৰে অন্তৰৰ এক ঐশ্বৰিক প্ৰভাৱ পেলাইছিল । তেওঁ উদাৰ, ত্যাগী, নৈতিক জীৱনে সাধাৰণ ব্যক্তিক আকৰ্ষণ  কৰিছিল ।

**(গ) ৰামানন্দ ।**

**উত্তৰ:-** উত্তৰ ভাৰতত বিশেষকৈ হিন্দীভাষী অঞ্চলত ভক্তিবাদ আন্দোলনৰ প্ৰচাৰক আছিল ৰামানন্দ । তেওঁ এগৰাকী পণ্ডিত আৰু সমাজ সংস্কাৰক আছিল । এওঁৰ ভক্তি মাৰ্গৰ মূল উপাস্য দেৱতা আছিল বিষ্ণুৰ অৱতাৰ ৰাম । তেওঁ ধৰ্মৰ দুৱাৰ সকলো শ্ৰেণীৰ লোকলৈ মোকলাই দিছিল ।

তেওঁ হিন্দী ভাষাত কবিতা ৰচনা কৰি ভক্তি ধৰ্ম প্ৰচাৰ কৰিছিল । তেওঁৰ শিষ্য সকলৰ ভিতৰত অন্যতম শিষ্য আছিল । ৰামানন্দৰ দৰে কবীৰেও কবিতাৰ যোগেদি ভক্তি ধৰ্ম প্ৰচাৰ কৰিছিল । তুলসীদাস ৰামানন্দৰ এজন সাৰ্থক উত্তৰাধিকাৰী আছিল । সৰ্বসাধাৰণ লোকৰ কথিত ভাষাত ‘ ৰামচৰিত – মানস ‘ ৰচনা কৰি প্ৰচাৰ কৰিছিল ।

**(ঘ) নানক ।**

**উত্তৰ:-** উত্তৰ ভাৰতত ভক্তি মাৰ্গৰ প্ৰচাৰ কৰোতাসকলৰ অন্যতম এজন আছিল গুৰুনানক । এওঁক কবীৰৰ ভক্তিমাৰ্গে বিশেষভাৱে আকৃষ্ট কৰিছিল । নানকে হিন্দু ধৰ্মৰ মূৰ্তি পূজা কৰা পদ্ধতি আৰু জাতিভেদ প্ৰথা বিশ্বাস নকৰিছিল ।

তেওঁৰ মতে ঈশ্বৰ এজন । ঈশ্বৰ অদ্বিতীয় আৰু নিৰাকাৰ । গুৰু নানকৰ শিষ্য সকলক পৰবৰ্তী কালত শিখ বুলি অভিহিত কৰা হয় । শিখ ধৰ্মৰ উত্থান ভক্তিবাদ আন্দোলনৰ অন্য এক গুৰুত্বপূৰ্ণ দিশ আছিল ।

**(ঙ) মিৰাবাঈ ।**

**উত্তৰ:-** ভাৰতৰ ভক্তিবাদী আন্দোলনৰ সমসাময়িকভাৱে আন এটি ধাৰা গুজৰাট আৰু ৰাজস্থানত দেখিবলৈ পোৱা যায় । মিৰাবাঈক ভজন – কীৰ্তন, গীত – মাতবোৰত পোৱা যায় । মিৰাবাঈয়ে ভজন – কীৰ্তনৰ জৰিয়তে ভগবানৰ গুনানুকীৰ্তন জনসাধাৰনৰ মাজত প্ৰচাৰ কৰিছিল ।

সৰ্বসাধাৰণ লোকক এই ভক্তি মাৰ্গ বিশেষভাৱে আকৰ্ষিত কৰিছিল । মিৰাবাঈয়ে ৰাজস্থানত জনসাধাৰণৰ মাজত ঠায়ে ঠায়ে গাই  সুৰ প্ৰচাৰ কৰিছিল বুলি জনা যায় । এই ভক্তিমূলক গীত – মাতে সাধাৰণ প্ৰজাক বিশেষভাৱে আকৃষ্ট কৰিছিল । মিৰাবাঈৰ ভজন – কীৰ্তন, গীত – মাতবোৰ ভাৰতত সকলো হিন্দুধৰ্মী লোকৰ অতি প্ৰিয় আছিল ।

**৪/ আলভাৰচসকল কোন ? তেওঁলোকৰ মূল ধৰ্মমত কি আছিল ?**

উত্তৰ:- আলভাৰচসকল তামিল ৰাজ্যত বসবাস কৰা এক সম্প্ৰদায়ৰ লোক আছিল ।

আলভাৰচসকল বিষ্ণু উপাসক হোৱাৰ বাবে তেওঁলোকৰ মতে বিষ্ণু শ্ৰেষ্ঠ আৰু সৃষ্টিৰ মূল । অহং ভাৱবোৰ ত্যাগ কৰি ভগবানৰ ওচৰত নিজকে উৎসৰ্গা কৰিব পাৰিলে মোক্ষ লাভ হয় । মানুহৰ মাজতে ভগবানৰ পাব পাৰি । গতিকে জীৱ প্ৰেমেই ভগবৎ প্ৰেমৰ আধাৰ ।

**৫/ চুফিবাদৰ মূলমন্ত্ৰ কি আছিল ? ভাৰতত চুফিবাদ প্ৰসাৰত ভূমিকা লোৱা দুগৰাকী ব্যক্তিৰ নাম উল্লেখ কৰা ।**

উত্তৰ:- চুফিবাদৰ মূলমন্ত্ৰ আছিল এক ভগৱানকে উপাসনা কৰা ।

ভাৰতত চুফিবাদ প্ৰসাৰত ভূমিকা লোৱা দুগৰাকী ব্যক্তিৰ নাম হল – নিজামুদ্দিন আউলিয়া আৰু আব্দুল কাদিৰ ।

**৬/ কবীৰ কিয় হিন্দু আৰু ইছলাম ধৰ্মী সকলো লোকৰ মাজত জনপ্ৰিয় আছিল ?**

উত্তৰ:- কবীৰ আছিল এক ভগবানৰ উপাসক । তেওঁৰ মতে ঈশ্বৰ – আল্লা এক । তেওঁক মুছলমান সকলে চুফিবাদী সাধক হিচাপে আৰু হিন্দুসকলে ৰাম ভক্ত হিচাপে স্বীকৃতি দিছিল । সেইকাৰণে কবীৰ হিন্দু আৰু ইছলাম ধৰ্মী সকলো লোকৰ মাজত জনপ্ৰিয় আছিল ।

**৭/ ভক্তি আন্দোলনৰ নেতাসকলে ধৰ্মৰ উপৰি সমাজ সংস্কাৰৰ কাম হাতত লোৱাৰ উদ্দেশ্যে কি কৰিছিল ?**

**উত্তৰ:-** ভক্তি আন্দোলনৰ নেতাসকলে ধৰ্মৰ উপৰি সামাজিক দিশতো ব্যাপক প্ৰভাৱ পেলাইছিল । এই আন্দোলনৰ ফলস্বৰূপে জাতিভেদ, উচ্চ – নীচ, সৰু – বৰ ভাব আৰু আচাৰ – অনুষ্ঠানৰ বাহুল্যতা বহুখিনি হ্ৰাস পাইছিল ।

উদাৰ মানৱীয় দৃষ্টিভংগী ভক্তিবাদৰ ভেটি হোৱাৰ বাবে নাৰীয়েও পুৰুষৰ লগত একে লগে ধৰ্ম চৰ্চা আৰু প্ৰচাৰৰ সুবিধা লাভ কৰিছিল । হিন্দু – মুছলমানৰ মাজত ঐক্য – সংহতি বৃদ্ধি কৰাত ভক্তি আন্দোলনে এক গুৰুত্বপূৰ্ণ ভূমিকা লৈছিল ।

**৮/ ভাৰতবৰ্ষত ভক্তি আন্দোলন জনপ্ৰিয় হোৱাৰ কাৰণ কি ?**

**<u>উত্তৰ</u>:-** ভক্তিবাদৰ নতুন নতুন ধ্যান – ধাৰণাই ভাৰতীয় সমাজ আৰু সংস্কৃতিত প্ৰভাৱ বিস্তাৰ কৰিলে । ক্ৰমান্বয়ে ভক্তিবাদৰ পৰিসৰ বহল হল ।

ঈশ্বৰৰ প্ৰতি থকা শ্ৰদ্ধাকে কেৱল ভক্তি বুলি নাভাবি ঐশ্বৰিক শক্তিৰ উপাসনাৰ মাধ্যমেৰে সমাজ – সংস্কাৰ কৰি সৰ্ব – সাধাৰনৰ সকলো প্ৰকাৰৰ কল্যাণ সাধন কৰা কাৰ্যকো ভক্তিৰ অন্তৰ্ভুক্ত বুলি বিবেচনা কৰা হল । মধ্য যুগত এনেধৰণৰ ভক্তিবাদী আন্দোলনে উত্তৰ আৰু উত্তৰ – পূব ভাৰতত বিস্তৃত ৰূপত প্ৰকাশ পায় । এইদৰে সমগ্ৰ ভাৰতবৰ্ষত ভক্তি আন্দোলন জনপ্ৰিয় হৈ উঠে ।

**৯/ শ্ৰীমন্ত শংকৰদেৱে অসমীয়া সমাজলৈ আগবঢোৱা অৰিহনাৰ বিষয়ে ৫০ টা মান শব্দৰ ভিতৰত এটি টোকা প্ৰস্তুত কৰা ।**

**<u>উত্তৰ</u>:-** ১৪৪৯ খ্ৰীষ্টাব্দত অসমীয়া কলা – সংস্কৃতিৰ প্ৰাণস্বৰূপ শংকৰদেৱৰ জন্ম হয় । মহাপুৰুষ শ্ৰীমন্ত শংকৰদেৱৰ জন্ম স্থান হল বৰদোৱাৰ ওচৰৰ আলিপুখুৰী অঞ্চল । শংকৰদেৱ ভক্তিবাদৰ ধাৰণাৰে তেওঁ অসমীয়া সমাজখনক নকৈ গঢ়ি তুলিলে ।

অসমীয়াৰ সামাজিক জীৱনটো একত্ৰিত কৰিবলৈ তেওঁ সমতা, সহিষ্ণুতা আৰু অহিংসাৰ বাণী প্ৰচাৰ কৰিছিল । ভক্তিবাদক আশ্ৰয় কৰি তেওঁ বৈষ্ণৱ ধৰ্ম প্ৰচাৰ কৰাৰ লগতে সমাজ সংস্কাৰতো মনোনিবেশ কৰিছিল । ধৰ্মক জনসাধাৰনৰ অধিক কাষ চপাবলৈ শঙ্কৰদেৱে সংস্কৃতৰ সলনি ব্ৰজাৱলী আৰু অসমীয়া ভাষাত ধৰ্ম শাস্ত্ৰবোৰ ৰচনা কৰিছিল ।

সামাজিক একতা আৰু সম্প্ৰীতিৰ বান্ধ গঢ়ি তুলিবলৈ তেওঁ বিভিন্ন সাংস্কৃতিক কাৰ্যসূচীৰ ব্যৱস্থা কৰিছিল । সামাজিক সমতা আৰু সকলো সম্প্ৰদায়ৰ উমৈহতীয়া অংশ গ্ৰহণ নিশ্চিত কৰি তেওঁ বৃহৎ অসমৰ ভাষা আৰু কলা – সংস্কৃতিৰ বহল ক্ষেত্ৰখন গঢ়ি তুলিছিল ।

শংকৰদেৱৰ সাধনাৰ মূল বিষয়বস্তু আছিল অসমীয়া ভাষাৰ বিকাশ, ক'লা – সংস্কৃতিৰ ধাৰাবাহিক চৰ্চা আৰু ভক্তি বাদৰ প্ৰসাৰ । তেওঁ হল প্ৰকৃতাৰ্থত অসমীয়া জাতিৰ কাণ্ডাৰী, অসমীয়া ভাষা আৰু কলা সংস্কৃতিৰ অন্যতম প্ৰতিষ্ঠাপক ।